স্বাস্থ্য

চিকিৎসালয়লৈ যোৱাৰ পূৰ্বে জানি লওঁক স্বাস্থ্যমন্ত্রীৰ এই সকীয়নি; অন্যথা পৰিব পাৰে বিপদত

চিকিৎসালয়ৰ নিয়ম আৰু চিকিৎসকৰ নির্দেশ নামানিলে ৰোগীৰ চিকিৎসা বন্ধ হ'ব পাৰে বুলি সকীয়নি দিছে স্বাস্থ্যমন্ত্রী অশোক সিংঘালে।

প্রকাশ: ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫১



(Social media)

গুৱাহাটী, ৮ নৱেম্বৰঃ চিকিৎসালয়ৰ নিয়ম আৰু চিকিৎসকৰ নির্দেশ অমান্য কৰিলে চিকিৎসা মহাবিদ্যালয়ত ৰোগীৰ চিকিৎসা বন্ধ হ'ব পাৰে বুলি সকীয়নি দিছে অসমৰ স্বাস্থ্যমন্ত্রী অশোক সিংঘালে। দেওবাৰে তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদর্শন কৰি ৰোগীৰ সৈতে অহা অভিভাৱকসকলক চিকিৎসালয়ৰ নীতি-নিয়ম মানি চলিবলৈ কঠোৰ নির্দেশ দিয়ে মন্ত্রীগৰাকীয়ে।

পৰিদর্শনৰ সময়ত চিকিৎসালয়ৰ ভিতৰত ৰোগীৰ চাৰিওফালে অত্যধিক ভিৰ কৰা, নৱজাতকক চুমা খোৱা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ নিয়ম মানি নোলোৱাকৈ আই চি ইউ তথা অস্ত্রোপচাৰ কক্ষত প্ৰৱেশ কৰাৰ দৰে কেইবাটাও বিষয় মন্ত্রীগৰাকীৰ দৃষ্টিগোচৰ হয়।

এইধৰণৰ আচৰণে ৰোগীৰ সংক্রমণৰ আশংকা বৃদ্ধি কৰাৰ লগতে সংকটাপন্ন ৰোগীৰ জীৱনলৈ বিপদ মাতিব পাৰে বুলি মন্তব্য কৰে অশোক সিংঘালে। চিকিৎসকৰ নির্দেশ মানি চলা আৰু চিকিৎসালয়ৰ চৌহদত পৰিষ্কাৰ-

© 2026 NewzNow

পৰিচ্ছন্নতা বজাই ৰখাৰ বাবে অভিভাৱকসকলক নির্দেশ দিয়ে তেওঁ।

ইফালে, চিকিৎসালয়খনত এক্স-ৰে সেৱাত হোৱা পলমৰ বিষয়টোও মন্ত্রীগৰাকীয়ে পৰিদর্শনৰ সময়ত উত্থাপন কৰে। পিছদিনাৰ পৰাই এই সমস্যাৰ সমাধানৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

পৰিদর্শনৰ সময়ত কেইবাটাও বিভাগৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আন্তঃগাঁথনিৰ অৱস্থাক লৈ অসন্তুষ্টি প্রকাশ কৰে স্বাস্থ্যমন্ত্রীগৰাকীয়ে। ভঙা কাঁচৰ পেনেল, অপর্যাপ্ত ৰক্ষণাবেক্ষণ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱৰ বিষয়েও তেওঁ উদ্বেগ প্রকাশ কৰে।

চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু অধীক্ষকক বিভাগ অনুসৰি মেৰামতিৰ কাম সম্পূর্ণ কৰিবলৈ নির্দেশ দিয়ে মন্ত্রীয়ে। বিশেষকৈ স্ত্রীৰোগ, শিশু ৰোগ আৰু অস্ত্রোপচাৰ বিভাগৰ কামক অগ্রাধিকাৰ দিবলৈ কয়। মেৰামতিৰ অগ্রগতি পৰীক্ষা কৰিবলৈ ১০ দিনৰ পাছত পুনৰ চিকিৎসালয়খন পৰিদর্শন কৰিব বুলিও ঘোষণা কৰে তেওঁ।

আনহাতে, গুৱাহাটী, ডিব্রুগড়, শিলচৰ, বৰপেটা, তেজপুৰ আৰু যোৰহাটৰ ছখন চিকিৎসা মহাবিদ্যালয়ত ছুপাৰ স্পেচিয়েলিটী চিকিৎসা সুবিধা গঢ়ি তোলাৰ পৰিকল্পনাৰ কথাও সদৰী কৰে স্বাস্থ্যমন্ত্রী অশোক সিংঘালে। ইয়াৰ ফলত উন্নত চিকিৎসাৰ বাবে অসমৰ বাহিৰৰ চিকিৎসালয়ৰ ওপৰত ৰোগীৰ নির্ভৰশীলতা হ্রাস পাব বুলি আশা প্রকাশ কৰে মন্ত্রীগৰাকীয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1225/assam-minister-warns-over-hospital-protocol-violations